# Telephonic Conversation between PM and Amir of the State of Qatar

March 26, 2020

# প্ৰধানমন্ত্ৰী আৰু কাটাৰৰ আমিৰৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

মাৰ্চ 26, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাটাৰৰ আমিৰ মহমান্য শ্বেইখ তামিম বিন হামাড অল থানিৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

নেতা দুগৰাকীয়ে ক'ভিড-১৯য়ে সৃষ্টি কৰা গোলকীয় মহামাৰীৰ শেহতীয়া স্থিতি আৰু ইয়াৰ সমাজিক-অৰ্থনৈতিক প্ৰভাৱ সন্দৰ্ভত আলোচনা কৰে। ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ নিজ নিজ দেশে গ্ৰহণ কৰা সজাগতামূলক ব্যৱস্থাসমূহক লৈও তেওঁলোকে মতবিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে শেহতীয়াকৈ ছাৰ্ক ৰাষ্ট্ৰসমূহে ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলৈ ঐক্যবদ্ধ পদক্ষেপ গ্ৰহণ কৰা আৰু আজি দিনৰ ভাগত জি-২০ নেতাসকলৰ সৈতে ভাৰ্চুৱেল সন্মিলন অনুষ্ঠিত হোৱাৰ কথা মহামান্য আমিৰক অৱগত কৰায়।

দুয়োগৰাকী নেতাই আশা প্ৰকাশ কৰে যে ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰিবলৈ প্ৰভাৱিত সকলো দেশে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ সোনকালে ফলপ্ৰসু হৈ উঠিব। মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াত তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সমন্বয় আৰু তথ্যৰ আদান-প্ৰদানৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে।

প্ৰধানমন্ত্ৰীয়ে কাটাৰত বাস কৰা আৰু কাম কৰি থকা ভাৰতীয় নাগৰিকসকলৰ কল্যাণৰ বাবে ব্যক্তিগতভাৱে গুৰুত্ব আৰোপ কৰাৰ বাবে মহামান্য শ্বেইখ তামিম বিন হামাড অল থানিক ধন্যবাদ জ্ঞাপন কৰে। মহামান্য আমিৰে প্ৰধানমন্ত্ৰী মোদীক নিশ্চয়তা প্ৰদান কৰে যে কাটাৰত সকলো ভাৰতীয় লোকৰ সুৰক্ষিত আৰু নিৰাপদ।

প্ৰধানমন্ত্ৰী আৰু মহামান্য আমিৰে সাম্প্ৰতিক পৰিস্থিতিক লৈ নিয়মীয়া যোগাযোগ আৰু আলাপ-আলোচনা অব্যাহত ৰাখিবলৈ সন্মত হয়।

**নতুন দিল্লী**
**মাৰ্চ 26, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.